# **NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 07-07-2024
**Time :** 13-40 Hrs.

## ***Assamese Midday Bulletin***
## ***HEADLINES***

১। ওড়িশাত আজিৰে পৰা আৰম্ভ হোৱা প্ৰভূ জগন্নাথ, বলভদ্ৰ, দেৱী শুভদ্ৰা আৰু প্ৰভূ সুদৰ্শনৰ বিশ্ব প্ৰসিদ্ধ ৰথযাত্ৰাৰ বাবে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰে।

২। কাশ্মীৰ উপত্যকাৰ দক্ষিণ কাশ্মীৰৰ কুলগাম জিলাত দুবাৰকৈ নিৰাপত্তাৰক্ষীৰ সৈতে হোৱা মুখামুখি সংঘৰ্ষত ৫ জন সন্ত্ৰাসবাদী নিহত হয়।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈৰ পৰা তিনিদিনীয়া চৰকাৰী কাৰ্যসূচীৰে ৰাছিয়া আৰু অষ্ট্ৰিয়া ভ্ৰমণ কৰিব।

৪। অসমৰ সাম্প্ৰতিক বানত বিগত ২৪ ঘণ্টাত আৰু ৬ জন লোকে প্ৰাণ হেৰুৱাৰ ফলত বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৫৮ লৈ বৃদ্ধি পাইছে। *আৰু*

৫। ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ চলিত পাঁচখনীয়া টি-টুৱেণ্টি শৃংখলাৰ দ্বিতীয়খন খেল আজি বিয়লি চাৰে ৪ বজাত জিম্বাব'ৱেৰ হাৰাৰেত অনুষ্ঠিত হ'ব।

০০০০

ওড়িশাত আজিৰে পৰা আৰম্ভ হোৱা প্ৰভূ জগন্নাথ, বলভদ্ৰ, দেৱী শুভদ্ৰা আৰু প্ৰভূ সুদৰ্শনৰ বিশ্ব প্ৰসিদ্ধ ৰথযাত্ৰাৰ বাবে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰে। এই পবিত্ৰ ৰথযাত্ৰা প্ৰত্যক্ষ কৰিবলৈ ৰাষ্ট্ৰপতিগৰাকী কালি গৃহৰাজ্য ওড়িশাৰ ভূবনেশ্বৰত উপস্থিত হয়। বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ভক্তসকলে আজি সন্ধিয়া ৫ বজাত ৰথ টনা আৰু ভগৱান জগন্নাথৰ দৰ্শনৰ বাবে পবিত্ৰ তীৰ্থনগৰী পুৰীত একত্ৰ হৈছে। শ্ৰীজগন্নাথ মন্দিৰৰ সিংহদুৱাৰৰ সন্মুখত ৰথসমূহ স্থাপন কৰি শ্ৰীগুণ্ডিশা মন্দিৰলৈ নিবলৈ সাজু কৰা হৈছে। উল্লেখযোগ্য যে, ৰথসমূহ এই মন্দিৰত এসপ্তাহ থাকিব। ওড়িশা ৰাজ্য চৰকাৰে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ সুৰক্ষা আৰু ৰথ যাত্ৰা সুচাৰুৰূপে পৰিচালনা কৰিবলৈ সম্পূৰ্ণ ব্যৱস্থা গ্ৰহণ কৰিছে। উৎসৱস্থলীত প্ৰায় ১০ ৰ পৰা ১৫ লাখ ভক্তৰ সমাগম হোৱাৰ সম্ভাৱনা আছে। মহোৎসৱৰ সময়ত আইন শৃংখলা চোৱাচিতা আৰু জনসমাগম পৰিচালনাৰ বাবে ১৮০ গৰাকী নিৰাপত্তাৰক্ষী নিয়োগ কৰা হৈছে। কৃত্ৰিম বুদ্ধিমত্তা ভিত্তিক চি চি টিভি কেমেৰাও স্থাপন কৰা হৈছে। ৰাষ্ট্ৰপতিগৰাকীৰ বাবে বাফাৰজ'নৰ পৰিকল্পনা কৰা হৈছে। আনহাতে, ওড়িশাৰ ৰাজ্যপাল ৰঘুবৰ দাস, মুখ্যমন্ত্ৰী মোহন চৰণ মাঝি আৰু আন কেইবাজনো কেন্দ্ৰীয় মন্ত্ৰী আৰু অন্যান্য গণ্য মান্য ব্যক্তিৰ বাবে বিশেষ সুৰক্ষাৰ ব্যৱস্থা লোৱা হৈছে। ৰথযাত্ৰাৰ বাবে ওড়িশাৰ চৰকাৰে দুদিনীয়া চৰকাৰী বন্ধৰ ঘোষণা কৰিছে।

০০০০

কাশ্মীৰ উপত্যকাৰ দক্ষিণ কাশ্মীৰৰ কুলগাম জিলাত দুবাৰকৈ নিৰাপত্তাৰক্ষীৰ সৈতে হোৱা মুখামুখি সংঘৰ্ষত ৫ জন সন্ত্ৰাসবাদী নিহত হয়। কালি নিৰাপত্তাৰক্ষীৰ দলে সন্ত্ৰাসবাদী কেইজন এই অঞ্চলত আত্মগোপন কৰি থকাৰ খবৰ পোৱাৰ পাছত জিলাখনৰ ফিচল চিনিগাম আৰু মটেৰগাম অঞ্চলত এই মুখামুখি সংঘৰ্ষ সংঘটিত হৈছিল। কাশ্মীৰ মণ্ডলৰ আৰক্ষী মহা পৰিদৰ্শক ভি কে বিৰদীয়ে আকাশবাণীৰ বাতৰি বিভাগক নিশ্চিত কৰা অনুসৰি ফিচল চিনিগামত ৪ জন সন্ত্ৰাসবাদীক হত্যা কৰাৰ বিপৰীতে মটেৰগামত এজন সন্ত্ৰাসবাদীক নিৰাপত্তা বাহিনীয়ে গুলিয়াই হত্যা কৰে। কৰ্তব্যৰত অৱস্থাত গুৰুতৰভাৱে আহত দুজন নিৰাপত্তাৰক্ষী জোৱানেও সংঘৰ্ষৰ সময়ত প্ৰাণ হেৰুৱায়। ইফালে, মটেৰগাম আৰু ফিচল চিনিগাম দুয়োটা অঞ্চলতে আজি দ্বিতীয় দিনৰ বাবে অঞ্চলসমূহত লুকাই থকা সন্ত্ৰাসবাদীক নিৰ্মূল কৰাৰ বাবে অভিযান অব্যাহত ৰাখিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈৰ পৰা তিনিদিনীয়া চৰকাৰী কাৰ্যসূচীৰে ৰাছিয়া আৰু অষ্ট্ৰিয়া ভ্ৰমণ কৰিব। এই ভ্ৰমণৰ প্ৰথম পৰ্যায়ত শ্ৰীমোদী ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ আমন্ত্ৰণমৰ্মে ২২ সংখ্যক ভাৰত-ৰাছিয়া বাৰ্ষিক সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে মস্কোলৈ যাব। নেতা দুয়োগৰাকীয়ে দুয়োখন দেশৰ মাজৰ বহুপাক্ষিক সম্পৰ্কৰ সকলো দিশৰ পৰ্যালোচনা কৰাৰ লগতে পাৰস্পৰিক স্বাৰ্থজড়িত সাম্প্ৰতিক আঞ্চলিক আৰু গোলকীয় বিষয়সমূহ লৈ মত বিনিময় কৰিব। এই ২২ সংখ্যক ভাৰত-ৰাছিয়া বাৰ্ষিক সন্মিলনত প্ৰতিৰক্ষা, বাণিজ্য, বিনিয়োগ চুক্তি, শক্তি সহযোগিতা, বিজ্ঞান আৰু প্ৰযুক্তি, শিক্ষা তথা সংস্কৃতি আদি বিষয়সমূহ সন্দৰ্ভত আলোচনা কৰা হ'ব। ৰাছিয়া ভ্ৰমণ সামৰি প্ৰধানমন্ত্ৰী শ্ৰীমোদী মঙলবাৰে অষ্ট্ৰিয়াত উপস্থিত হ'ব। এয়া হ'ব বিগত ৪১ বছৰত কোনো এগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথম অষ্ট্ৰিয়া ভ্ৰমণ। শ্ৰীমোদীয়ে মস্কো আৰু ভিয়েনাত ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলৰ সৈতেও মত বিনিময় কৰিব। অষ্ট্ৰিয়া ভ্ৰমণৰ সময়ছোৱাত শ্ৰীমোদীয়ে দেশখনৰ ৰাষ্ট্ৰপতি আলেকজেণ্ডাৰ ভেন ডাৰ বেলেনক সাক্ষাৎ কৰাৰ লগতে অষ্ট্ৰিয়াৰ চেঞ্চেলৰ কাৰ্ল নেহাম্মেৰৰ সৈতেও আলোচনাত মিলিত হ'ব। শ্ৰীমোদী আৰু অষ্ট্ৰিয়াৰ চেঞ্চেলৰগৰাকীয়ে দুয়োখন দেশৰ ঔদ্যোগিক নেতাসকলকো সম্বোধন কৰিব।

০০০০

অষ্ট্ৰিয়া চেনচেলৰ কাৰ্ল নেহাম্মেৰে কয় যে, অহা সপ্তাহত ভিয়েনাট প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আদৰিবলৈ তেওঁ আগ্ৰহী। সামাজিক মাধ্যমৰ এটা পোষ্টত তেওঁ শ্ৰীমোদীৰ এই ভ্ৰমণক বিশেষ সন্মান বুলি অভিহিত কৰি কয় যে, ৪০ বছৰত ভাৰতৰ প্ৰধানমন্ত্ৰীৰ এয়াই প্ৰথমটো ভ্ৰমণ। তেওঁ লগতে কয় যে, দুয়োটা ৰাষ্ট্ৰই কূটনৈতিক সম্পৰ্কৰ ৭৫ বছৰ উদযাপনৰ ই এক মাইল খুটি। অষ্ট্ৰিয়াৰ চেনচেলৰে কয় যে তেওঁলোকে আমাৰ দ্বিপাক্ষিক সম্পৰ্ক আৰু অধিক গভীৰ কৰাৰ ভূ-ৰাজনৈতিক প্ৰত্যাহ্বানৰ ঘণিষ্ঠ সহযোগিতাৰ বিষয়ে আলোচনা কৰাৰ সুযোগ পাব। অষ্ট্ৰিয়াৰ চেনচেলৰৰ প্ৰত্যুত্তৰ দি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ধন্যবাদ জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীমোদীয়ে কয় যে, এই ঐতিহাসিক ক্ষণত অষ্ট্ৰিয়া ভ্ৰমণ কৰাটো গৌৰৱৰ কথা। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে, দুই জাতিৰ মাজত বন্ধন সুদৃঢ় কৰাৰ লগতে সহযোগিতাৰ নতুন পথ অন্বেষণৰ আলোচনাৰ বাবে তেওঁ আগ্ৰহী।

০০০০

অসমৰ সাম্প্ৰতিক বানত বিগত ২৪ ঘণ্টাত আৰু ৬ জন লোকে প্ৰাণ হেৰুৱাৰ ফলত বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৫৮ লৈ বৃদ্ধি পাইছে। ৰাজ্যখনৰ বান পৰিস্থিতি আজিও অপৰিৱৰ্তিত হৈ আছে আৰু ২৯ খন জিলাৰ প্ৰায় ২৪

লাখ লোক বানৰ কবলত পৰিছে। ৰাজ্যখনৰ ১০৭টা ৰাজহ চক্ৰৰ ৩ হাজাৰ ৫০০ খনৰো অধিক গাঁও বানত প্লাৱিত হৈছে আৰু ৬৮ হাজাৰ হেক্টৰৰো অধিক কৃষিভূমি নষ্ট হৈছে। এন ডি আৰ এফ আৰু এছ ডি আৰ এফৰ দলে বিগত ২৪ ঘণ্টাত বিভিন্ন প্ৰান্তৰ ২১৮ জন লোকক উদ্ধাৰ কৰিছে।

কেন্দ্ৰীয় জল আয়োগৰ ৱেৱছাইটত আজি পুৱা পৰ্যবেক্ষণ কৰা অনুসৰি ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ বিভিন্ন উপনৈৰ পানীৰ স্তৰ বিপদসীমাৰ ওপৰেৰে বৈ থকা জিলাসমূহ হৈছে যোৰহাট, তেজপুৰ, ধুবুৰী, ডিব্ৰুগড়, শিৱসাগৰ, গোলাঘাট, নগাওঁ, কৰিমগঞ্জ। শেহতীয়া বানে বিগত ২৪ ঘণ্টাত ১৭৬টা পথ আৰু দুখন দলঙৰ লগতে আন বহুতো আন্তঃগাঁথনি ক্ষতিগ্ৰস্ত কৰিছে। এই বানত ১৫ লাখৰো অধিক জীৱ-জন্তু প্ৰভাৱিত হৈছে। ৰাজ্য চৰকাৰে ইতিমধ্যে বিভিন্ন প্ৰান্তত ২৯৩টা সাহায্য শিবিৰ আৰু ২৮৪টা সাহায্য বিতৰণ কেন্দ্ৰ স্থাপন কৰিছে। ইপিনে বতৰ বিজ্ঞান বিভাগে ৰাজ্যখনত ধাৰাষাৰৰ পৰা মুষলধাৰ বৰষুণ হোৱাৰ আগলি বতৰা দিছে।

০০০০

উত্তৰাখণ্ডৰ ৰাজ্যিক বতৰ বিজ্ঞান বিভাগে আজি গড়ৱাল আৰু কুমাও অঞ্চলৰ কেইবাখনো জিলাত অতি প্ৰবল বৰষুণৰ বাবে ৰেড এলাৰ্ট জাৰি কৰিছে। বিভাগৰ তথ্য অনুসৰি বহু ঠাইত প্ৰবলৰ পৰা অতি প্ৰবল বৰষুণৰ সম্ভাৱনা আছে। কুমাওৰ বিচ্ছিন্ন অঞ্চলত অত্যন্ত প্ৰচণ্ড বৰষুণৰ সম্ভাৱনা আছে। ইয়াৰ উপৰি চামলি আৰু পৌৰী জিলাত প্ৰবলৰ পৰা অতি প্ৰবল বৰষুণ হব পাৰে, বিচ্ছিন্ন ঠাইত অত্যন্ত বৰষুণৰ হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ বিপৰীতে উত্তৰাখণ্ডৰ  দেৰাডুন, তেহৰী, হৰিদ্বাৰ, ৰুদ্ৰপ্ৰয়াগ আৰু উত্তৰ কাশী জিলাৰ বিভিন্ন স্থানত প্ৰবলৰ পৰা অতি প্ৰচণ্ড বৰষুণৰ সম্ভাৱনাৰ বাবে অৰেঞ্জ এলাৰ্ট জাৰি কৰা হৈছে। ৰেড এলাৰ্টৰ প্ৰতি সঁহাৰি জনাই আজিৰ বাবে চাৰধাম যাত্ৰা স্থগিত ৰখা হৈছে। পৰহি সন্ধিয়া গড়ৱাল সংমণ্ডল আয়ুক্ত বিনয় শংকৰ পাণ্ডেই এই সন্দৰ্ভত এটা নিৰ্দেশনা জাৰি কৰি মন্দিৰ অভিমুখী তীৰ্থযাত্ৰীসকলক আগবাঢ়ি যোৱাৰ পৰা বিৰত থাকিবলৈ আৰু বৰষুণ আৰু ভূমিস্খলৰ পৰিপ্ৰেক্ষিতত ঋষিকেশৰ সিপাৰে যাত্ৰা নকৰিবলৈ তীৰ্থযাত্ৰীসকলক আহ্বান জনাইছে। বতৰ ফৰকাল হলেহে তীৰ্থযাত্ৰীসকলক যাত্ৰা পুনৰ আৰম্ভ কৰিবলৈ পৰামৰ্শ দিয়া হৈছে। ইফালে বতৰ বিজ্ঞান বিভাগে ৰাজ্যখনৰ বহু ঠাইত প্ৰবলৰ পৰা অতি প্ৰবল বৰষুণৰ পূৰ্বাভাষ দিয়াৰ পিছতেই সংশ্লিষ্ট জিলাসমূহৰ সকলো জিলা দণ্ডাধীশক সতৰ্ক হবলৈ মুখ্যমন্ত্ৰী পুস্কৰ সিং ধামি নিৰ্দেশ দিছে।

০০০০

অহা ২২ জুলাইৰ পৰা সংসদৰ বাজেট অধিবেশন অনুষ্ঠিত হ'ব। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে সামাজিক মাধ্যমৰ এটা পোষ্টত কয় যে এই অধিবেশন ১২ আগষ্টলৈকে চলিব। তেওঁ কয় যে ২৩ জুলাইত লোকসভাত ২০২৪-২৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেট উত্থাপন কৰা হ'ব। এয়া হ'ব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ তৃতীয়টো কাৰ্যকালত উত্থাপন কৰিবলগীয়া প্ৰথমখন বাজেট।

০০০০

আজি নতুন দিল্লীৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত বিজেপিৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। সভাখনৰ উদ্বোধনী অধিবেশনত দিয়া ভাষণত দিল্লী বিজেপিৰ মুৰব্বী বীৰেন্দ্ৰ সচদেৱাই কয় যে, ভাৰতৰ ৰাজধানীত লোকসভাৰ ৭ খন আসন লাভ কৰাৰ বাবে বিজেপি দলক ৰাইজে যি আশীৰ্বাদ দিছে সেয়া অৰবিন্দ কেজৰিৱালৰ নেতৃত্বাধীন চৰকাৰৰ দুৰ্নীতিৰ প্ৰতি সঁহাৰি। তেওঁ লগতে কয় যে, দিল্লীত নিৰ্বাচনৰ সময়ত দুটা ব্যৰ্থ দলৰ মিত্ৰতা আছিল য'ত তেওঁলোকে নিজৰ স্বাৰ্থৰ বাবে একেলগে যুঁজিছিল আৰু সেয়েহে তেওঁলোকৰ পৰাজয় নিশ্চিত আছিল।

ৰাইজে এই কথা প্ৰমাণ কৰিছে যে, তেওঁলোক দুৰ্নীতিগ্ৰস্তৰ সৈতে নহয় বৰঞ্চ সত্যৰ সৈতেহে আছে। এই বৈঠকত কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা পিয়ুছ গোৱেল, দলৰ সাংসদ মনোজ তিৱাৰী, ৰামবীৰ সিং বিধুৰী আৰু বঞ্চুৰি স্বৰাজৰ লগতে দলৰ অন্যান্য নেতাসকল উপস্থিত থাকে।

০০০০

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান** অসমতো অব্যাহত আছে। উল্লেখযোগ্য যে সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ড সমূহত মূলত প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা, সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ হাৰ, চৰকাৰে ২০১৫ তে কৃষকৰ বাবে আৰম্ভ কৰা ছয়েল হেল্থ কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মনিৰ্ভৰশীল গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ, বিদ্যুত যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে।

০০০০

ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ চলিত পাঁচখনীয়া টি-টুৱেণ্টি শৃংখলাৰ দ্বিতীয়খন খেল আজি জিম্বাব'ৱেৰ হাৰাৰেত অনুষ্ঠিত হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন বিয়লি চাৰে ৪ বজাত আৰম্ভ হ'ব। আয়োজক দেশ জিম্বাব'ৱেই প্ৰথমখন খেলত জয়লাভ কৰি শৃংখলাত ১-০ৰ অগ্ৰগতি লাভ কৰি আছে। কালিৰ উদ্বোধনী খেলখনত ছিকন্দৰ ৰাজা নেতৃত্বাধীন জিম্বাব'ৱেই ভাৰতক ১৩ ৰানত পৰাজিত কৰে। খেলখনত জিম্বাব'ৱেই প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ১১৫ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ভাৰতে  ১৯ অভাৰ আৰু ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১০২ ৰানহে কৰিবলৈ সক্ষম হয়।

০০০০

সমাপ্ত